**29T EDUC**

# 2019

# EDUCATION

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | |
|---|---|
| *Q. No.* ***1*** *carries* ***1*** *mark each* | 1×12 = 12 |
| *Q. No.* ***2 –13*** *carry* ***2*** *marks each* | 2×12 = 24 |
| *Q. No.* ***14 – 23*** *carry* ***4*** *marks each* | 4×10 = 40 |
| *Q. No.* ***24 – 27*** *carry* ***6*** *marks each* | 6×4 = 24 |
| | Total =100 |

*Contd.*

http://www.assamboard.com/

1. Answer the following questions : 1×12=12

তলত দিয়াবোৰৰ উত্তৰ দিয়া ঃ

*Fill in the blanks :*

*খালী ঠাই পূৰ কৰা ঃ*

*(a)* 'Assam Secondary Education Board' was established on the basis of the recommendation of the ________ .

'অসম মাধ্যমিক শিক্ষা ব'ৰ্ড' ________ ৰ নিৰ্দেশ মৰ্মে স্থাপন কৰা হৈছিল।

*(b)* The name of the second largest Open University of the World is ________ .

বিশ্বৰ দ্বিতীয় বৃহৎ মুক্ত বিশ্ববিদ্যালয় খনৰ নাম হৈছে ________ ।

*(c)* 'World Population Day' is observed on ________ .

'বিশ্ব জনসংখ্যা দিৱস' ________ তাৰিখে পালন কৰা হয়।

*(d)* Tbilisi International Conference on Environmental Education was held on ________ .

তিবিলিচি আন্তৰ্জাতিক পৰিৱেশ শিক্ষা সন্মিলন ________ চনত অনুষ্ঠিত হৈছিল।

*(e)* The basis of reward and punishment in education is the laws of ________ of learning.

শিক্ষাত শাস্তি আৰু পুৰস্কাৰৰ ভিত্তি হৈছে শিকনৰ ________ নীতি।

*(f)* ________ method of learning establishes bond between natural tendency and artificial stimulus.

শিকনৰ ________ পদ্ধতিয়ে স্বাভাৱিক প্ৰৱণতা আৰু কৃত্ৰিম উদ্দীপকৰ মাজত সম্বন্ধ স্থাপন কৰে।

- *Give short answer in **one** sentence :*

  ***এটা*** *বাক্যত উত্তৰ দিয়া ঃ*

*(g)* Mention *one* objective of non-formal education.

অনানুষ্ঠানিক শিক্ষাৰ *এটা* উদ্দেশ্য উল্লেখ কৰা।

*(h)* What is Physical Education ?

শাৰীৰিক শিক্ষা মানে কি?



http://www.assamboard.com/

*(i)* What is the meaning of Insightful learning ?

অন্তদৰ্শন শিকনৰ অৰ্থ কি?

*(j)* ”We attend to a small stain on a white wall” — why ?

“এখন বগা দেৱালত থকা সৰু দাগ এটাত আমি মনোযোগ দিওঁ” — কিয়?

*(k)* Write the formula for finding out Mean by ‘Assumed mean method’.

‘অনুমিত গড় পদ্ধতি’ৰে গড় নিৰ্ণয় কৰা সূত্ৰটো লিখা।

*(l)* From a batch of 15 students who had appeared for an examination, 5 students failed. The marks of the successful students were — 48, 78, 55, 72, 40, 66, 60, 44, 70, 58. Calculate the median.

এটা পৰীক্ষাত অৱতীৰ্ণ হোৱা 15 জন শিক্ষাৰ্থী যুক্ত এটা শ্ৰেণীৰ 5 জন শিক্ষাৰ্থী অনুত্তীৰ্ণ হৈছিল। উত্তীৰ্ণ শিক্ষাৰ্থী সকলৰ নম্বৰ সমূহ হৈছে — 48, 78, 55, 72, 40, 66, 60, 44, 70, 58. ইয়াৰ মধ্যমা নিৰ্ণয় কৰা।

2. Write *two* problems of secondary education in Assam. 2

অসমৰ মাধ্যমিক শিক্ষাৰ *দুটা* সমস্যাৰ বিষয়ে লিখা।

3. Mention *two* important impact of Kothari Commission on the secondary education of Assam. 2

অসমৰ মাধ্যমিক শিক্ষাত কোঠাৰী আয়োগৰ পৰামৰ্শৰ *দুটা* উল্লেখযোগ্য প্ৰভাৱ উল্লেখ কৰা।

4. ‘All open education is distance education, but all distance education is not open education.’ Give *two* reasons. 2

‘সকলো বিলাক মুক্ত শিক্ষাই দূৰ শিক্ষা, কিন্তু সকলো বিলাক দূৰ শিক্ষাই মুক্ত নহয়’ — *দুটা* যুক্তি দিয়া।

5. Why non-formal education is called complementary to formal education ? Write *two* reasons. 2

অগতানুগতিক শিক্ষাক আনুষ্ঠানিক শিক্ষাৰ পৰিপূৰক বুলি কিয় কোৱা হয়? *দুটা* কাৰণ লিখা।

6. Mention *two* characteristics of population education. 2

জনসংখ্যা শিক্ষাৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।



http://www.assamboard.com/

7. Write *two* principles of Environmental Education. 2

পৰিৱেশ শিক্ষাৰ *যিকোনো দুটা* নীতি লিখা।

8. Mention with which laws of learning, the following proverbs are related : 1+1=2

তলৰ প্ৰবাদ কেইটা কোন কেইটা শিকন নীতিৰ লগত জড়িত উল্লেখ কৰা ঃ

*(i)* Habit is the second nature.

অভ্যাসৰ নৰ, কৰ্ণপথে কৰে শৰ।

*(ii)* Success leads to success.

কৃতকাৰ্যতাই কৃতকাৰ্যতাক আগুৱাই নিয়ে।

9. Mention *two* differences between learning and maturation. 2

শিকন আৰু পৰিপক্কতাৰ মাজৰ *দুটা* পাৰ্থক্য লিখা।

10. Loud voice or noise and glittering light immediately attract our attention — Explain the reasons. 2

উচ্চ শব্দ বা হুলস্থূল আৰু জিকমিক পোহৰে আমাৰ মনোযোগ তৎক্ষণাৎ আকৰ্ষণ কৰে — কাৰণ দৰ্শোৱা।

11. Write *two* differences between Polygon and Histogram. 2

বহুভুজ আৰু আয়তক্ষেত্ৰৰ মাজৰ *দুটা* পাৰ্থক্য লিখা।

12. "Forgetting is necessary for memory" — Give reasons. 2

'স্মৃতিৰ বাবে বিস্মৃতিৰ প্ৰয়োজন' — কাৰণ দৰ্শোৱা।

13. Mention *two* types of graph. 2

লেখচিত্ৰৰ *দুটা* প্ৰকাৰ উল্লেখ কৰা।

14. What are the suggestions forwarded by 'National Education Policy' 1986 regarding secondary education ? Discuss. 4

জাতীয় শিক্ষানীতি, ১৯৮৬ত মাধ্যমিক শিক্ষা সম্পৰ্কে আগবঢ়োৱা পৰামৰ্শসমূহ কি কি আছিল? আলোচনা কৰা।

15. Why distance education is important for the present society ? 4

বৰ্তমান সমাজৰ বাবে দূৰৱৰ্তী শিক্ষাৰ কিয় প্ৰয়োজন?



http://www.assamboard.com/

16. Discuss about the role of physical education in bringing forth self-confidence and group feeling. 4

আত্মবিশ্বাস আৰু দলীয় মনোভাৱ জগাই তোলাত শাৰীৰিক শিক্ষাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

17. What is women empowerment? Discuss the role of education in women empowerment of India. 1+3=4

মহিলাৰ সবলীকৰণ মানে কি? ভাৰতবৰ্ষৰ মহিলাৰ সবলীকৰণৰ বাবে শিক্ষাৰ ভূমিকা আলোচনা কৰা।

***Or / অথবা***

What is meant by value education? Write about the importance of value education in the present society. 1+3=4

মূল্যবোধৰ শিক্ষা মানে কি বুজা? বৰ্তমান সমাজত মূল্যবোধ শিক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়ে লিখা।

18. Write the educational significance of trial and error method of learning. 4

প্ৰচেষ্টা আৰু ভুল শিকন পদ্ধতিৰ শৈক্ষিক তাৎপৰ্যৰ বিষয়ে লিখা।

19. Discuss the educational significance of theory of conditioning of learning. 4

শিকনৰ অনুবন্ধন তত্ত্বৰ শৈক্ষিক তাৎপৰ্য ব্যাখ্যা কৰা।

20. Write which type of memory operate in the following situation: 1+1+1+1=4

তলৰ পৰিস্থিতিসমূহত কি কি প্ৰকাৰৰ স্মৃতি ক্ৰিয়াশীল লিখা ঃ

*(a)* Playing Piano
পিয়ানো বজাওঁতে

*(b)* Writing dictation
শ্ৰুতলিপি লিখোঁতে

*(c)* Writing answer to the questions in the examination
পৰীক্ষাত প্ৰশ্নৰ উত্তৰ কৰোঁতে

*(d)* Pinching of a pin
পিনৰ খোঁচ অনুভৱ কৰোঁতে



http://www.assamboard.com/

21. ‘Mental Hygiene is complete, harmonious and successful existence’ — Explain the statement on the basis of the objectives of mental hygiene. 4

‘মানসিক স্বাস্থ্যবিজ্ঞান হৈছে পৰিপূৰ্ণ, সামঞ্জস্যপূৰ্ণ আৰু সফলতাপূৰ্ণ অস্তিত্ব’ — বাক্যশাৰী মানসিক স্বাস্থ্যবিজ্ঞানৰ উদ্দেশ্যৰ লগত সংগতি ৰাখি ব্যাখ্যা কৰা।

***Or / অথবা***

Write *four* steps to be taken by the parents keeping mental health of their children. 4

শিশুৰ মানসিক স্বাস্থ্য ৰক্ষাৰ বাবে অভিভাৱকে ল’ব লগা *চাৰিটা* ব্যৱস্থাৰ বিষয়ে লিখা।

22. What is meant by Central Tendency ? Write *three* advantages of measures of Central Tendency ? 1+3=4

কেন্দ্ৰীয় প্ৰৱণতা বুলিলে কি বুজা? কেন্দ্ৰীয় প্ৰৱণতা পৰিমাপনৰ *তিনিটা* সুবিধা লিখা।

23. Represent the following data of students enrolled in a primary school by pie-diagram : 4

তলত দিয়া প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ তথ্যসমূহক বৃত্ত চিত্ৰৰ সহায়ত উপস্থাপন কৰা ঃ

| **Class** (শ্ৰেণী) | **No. of Students** (ছাত্ৰ-ছাত্ৰীৰ সংখ্যা) |
|---|---|
| Class–I | 45 |
| Class–II | 40 |
| Class–III | 35 |
| Class–IV | 56 |

***Or / অথবা***

What is frequency distribution table ? What are the different principles involved in preparation of a frequency distribution table ? 1+3=4

বাৰংবাৰতা বিভাজন তালিকা মানে কি? এখন বাৰংবাৰতা বিভাজন তালিকা প্ৰস্তুত কৰণৰ ক্ষেত্ৰত কি কি মূলনীতি সন্নিৱিষ্ট হৈ থাকে?



http://www.assamboard.com/

24. Describe the aims of Secondary Education as suggested by Mudaliar Commission. 6

মুডালিয়াৰ আয়োগে মাধ্যমিক শিক্ষাৰ লক্ষ্য সম্পৰ্কে আগবঢ়োৱা পৰামৰ্শসমূহ বৰ্ণনা কৰা।

25. Write about the educational significance of attention and interest. 6

মনোযোগ আৰু আগ্ৰহৰ শৈক্ষিক তাৎপৰ্যৰ বিষয়ে লিখা।

26. Discuss about the functions of Mental Hygiene. 2+2+2=6

মানসিক স্বাস্থ্যবিজ্ঞানৰ কাৰ্যবোৰ আলোচনা কৰা।

27. Find out Quartile Deviation from the following distribution table : 6

তলৰ বিভাজন তালিকাৰ পৰা চতুৰ্থক বিচ্যুতি নিৰ্ণয় কৰা ঃ

| **Class-Interval** (শ্ৰেণী-অন্তৰাল) | **Frequency** (বাৰংবাৰতা) |
|---|---|
| 50-52 | 1 |
| 45-49 | 4 |
| 40-44 | 7 |
| 35-39 | 5 |
| 30-34 | 8 |
| 25-29 | 10 |
| 20-24 | 8 |
| 15-19 | 5 |
| 10-14 | 5 |
| 5-9 | 2 |
| | $N = 55$ |

———×———



http://www.assamboard.com/

http://www.assamboard.com/